Total No. of Printed Pages—7

**HS/XII/A. Sc. Com/A/23**

**2 0 2 3**

**ASSAMESE**

**( Modern Indian Language )**

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ বহীত লিখা *এটা* বা *দুটা* শব্দৰে (যি কোনো **দহটা**) : ১×১০=১০

(ক) ‘পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা’ গ্ৰন্থখনৰ ৰচক কোন?

(খ) বাণীকান্ত কাকতিৰ ছদ্মনাম কি?

(গ) ‘নৱজীৱন’ গ্ৰন্থৰ ৰচক কোন?

(ঘ) তীৰ্থনাথ শৰ্মাৰ এখন গ্ৰন্থৰ নাম লিখা।

(ঙ) চণ্ডীদাস কোন পন্থৰ কবি আছিল?

(চ) 'সাহিত্য' প্ৰবন্ধটো (পাঠটো) কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(ছ) সাহিত্যৰ এটা লক্ষণ লিখা।

(জ) ভবেন্দ্ৰনাথ শইকীয়াই সাহিত্য অকাডেমী বঁটা লাভ কৰা গ্ৰন্থখনৰ নাম কি?

(ঝ) ৰমা কাৰ ঘৰৰ কাম কৰা ছোৱালী আছিল?

(ঞ) 'কীৰ্তন ঘোষা' কাৰ ৰচনা?

(ট) 'শকট' মানে কি?

(ঠ) 'নাটঘৰ' কবিতাৰ কবি কোন?

(ড) অমূল্য বৰুৱাৰ এখন কবিতাপুথিৰ নাম লিখা।

(ঢ) কন্দৰ্প কোন আছিল?

(ণ) ফণী শৰ্মাৰ এখন নাটকৰ নাম লিখা।

২। শুদ্ধ নে অশুদ্ধ লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) বুভুক্ষা মানে ক্ষুধা।

(খ) 'দলঙত তামীঘৰা' কাব্যগ্ৰন্থৰ ৰচক অমূল্য বৰুৱা।

(গ) ভাগৱতৰ নাৰদ ধীৰ, গম্ভীৰ।

(ঘ) ডান্টেৰ জন্ম হৈছিল ইটালীত।

(ঙ) সত্যভামা অৰ্জুনৰ পত্নী আছিল।

(চ) সাহিত্যই সকলো মানুহকে আনন্দ দিয়ে।

(ছ) 'চিৰাজ' এখন ঐতিহাসিক নাটক।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) _____ ভাগৱত ধৰ্মৰ আদিগুৰু নাৰদ।

(খ) সাধাৰণতে _____ বুলিলে কিতাপক বুজায়।

(গ) কবিৰ মনত প্ৰেম আৰু বিশ্বশক্তি অভিন্ন _____ ।

(ঘ) মাখনী এইখন ঘৰৰ _____ জীয়াৰী।

(ঙ) দৌল সাজি দেৱতাক থাপিবো সম্প্ৰতি
হেন শুনি চলি গৈলা _____ নৃপতি।

(চ) 'গজ' মানে _____ ।

(ছ) বিফলতা লৈয়ে এই ৰচিলো ______ ।

SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ লিখা (প্ৰতিটো উত্তৰ **তিনিৰ** পৰা **ছয়** শাৰীৰ ভিতৰত) : ৩×১০=৩০

(ক) 'পৰাঙ্গনা প্ৰীতি' বুলিলে কি বুজা? ৩

(খ) ডান্টে কোন? তেওঁৰ জন্মস্থানৰ নাম কি? ডান্টেৰ প্ৰেয়সীৰ নাম কি আছিল? ১+১+১=৩

(গ) চিত্ৰলেখা কোন? তেওঁ কি বিদ্যাত পাৰ্গত আছিল? তেওঁ কাক পলুৱাই আনিছিল? ১+১+১=৩

(ঘ) ইতিহাস অথবা দৰ্শনৰ লগত সাহিত্যৰ পাৰ্থক্য কি? ৩

(ঙ) ‘বৰ্ণবোধ’ গল্পত প্ৰকাশিত বৰ্ণবোধৰ তাৎপৰ্য কি? ৩

(চ) কবিয়ে জগতত স্থায়ী মৰমৰ সন্ধান পালেনে, লিখা। ৩

(ছ) উচ্চ আৰু নিম্ন বংশজাত কুকুৰৰ জৰিয়তে কবিয়ে কি বুজাব বিচাৰিছে? ৩

(জ) নলিনীবালা দেৱীৰ তিনিখন কাব্যৰ নাম লিখা। ৩

(ঝ) কবি অমূল্য বৰুৱাৰ এটি পৰিচয়মূলক টোকা লিখা। ৩

(ঞ) ‘উভতি নহাৰ কবিতা’ কাৰ ৰচনা? ইয়াত কবিয়ে কি ক’ব বিচাৰিছে? ১+২=৩

(ট) কবিয়ে জীয়াই থকাৰ মন্ত্ৰ কি বুলি কৈছে আৰু কিয়? ৩

(ঠ) ইন্দ্ৰদ্যুম্ন ৰজাই কলিংগপতিক বিন্ধ্য পৰ্বতলৈ কাক লৈ, কিয় যাবলৈ দিছিল? ১+২=৩

(ড) ‘চিৰাজ’ নাটকৰ যি কোনো তিনিটা চৰিত্ৰৰ নাম লিখা। ৩

(ঢ) সীতা কোন? সীতাৰ জন্ম ক’ত হৈছিল? তেওঁ ক’ত পঢ়া-শুনা কৰিছিল? ১+১+১=৩

(ণ) ‘চিৰাজ’ নাটকৰ নাট্যকাৰৰ বিষয়ে চমুকৈ লিখা। ৩

( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) পুৰণি অসমীয়া সাহিত্যত নাৰদ চৰিত্ৰক কেনেদৰে অংকন কৰা হৈছে, ‘অসমীয়া বৈষ্ণৱ কবিৰ নাৰদ’ পাঠৰ আধাৰত আলোচনা কৰা।

(খ) সাহিত্যত কল্পনাৰ গুৰুত্ব কিমান, আলোচনা কৰা।

(গ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

‘‘আপুনি ঘৰলৈ গৈ মোলৈ চিঠি দিব বাইদেউ ?’’

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) ‘উভতি নহাৰ কবিতা’ কবিতাটোৰ মূলভাৱ লিখা।

(খ) ইন্দ্ৰদ্যুম্ন ৰজাৰ যজ্ঞস্থলীৰ এটি বৰ্ণনা আগবঢ়োৱা।

(গ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

জীৱনৰ ভাও লৈ লাগিছে
বেজাৰ আজি
ভুৱা দেখি লাগিছে ভাগৰ,
সাগৰ বালিতে সাজি ধেমালিৰ
বালি ঘৰ
পাহৰিলো ৰূপ সাগৰৰ।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) মানৱতাৰ আদৰ্শ ‘চিৰাজ’ নাটকত প্ৰতিফলিত হৈছেনে? যদি হৈছে, কিদৰে হৈছে, চমুকৈ লিখা।

(খ) ‘চিৰাজ’ নাটকৰ যি কোনো দুটা পুৰুষ চৰিত্ৰৰ চৰিত্ৰ-চিত্ৰণ কিদৰে কৰা হৈছে, চমুকৈ লিখা।

(গ) ‘‘মাহী নহয় মা বুলি মাত সীতা।’’ কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছিল, বুজাই লিখা।

**( ব্যাকৰণ ভাগ )**

৮। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) যি শক্তিক উপাসনা কৰে।

(খ) কথা ক’ব নোৱাৰা লোক।

(গ) একে মাকৰ সন্তান।

(ঘ) আনৰ ভাল দেখিব নোৱাৰা।

(ঙ) যি পানীত জন্মে।

(চ) যি কথাৰ অৰ্থ নাই।

৯। তলৰ যি কোনো **এছোৱাৰ** ভাব-সম্প্ৰসাৰণ কৰা : ৪

(ক) ৰাইজে নখ জোকাৰিলে নৈ বয়।

(খ) শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে।

(গ) আইৰ সমান হ’ব কোন
নৈৰ সমান ব’ব কোন ?

১০। তলৰ খণ্ডবাক্যকেইটাৰে অৰ্থপূৰ্ণ বাক্য-ৰচনা কৰা (যি কোনো **তিনিটা**) : ১×৩=৩

অজীণ পাতকী ; কুন্দত কটা ; থৌকি-বাথৌ ; নলে-গলে লগা ; হাত লৰ।

১১। তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুওৱা (যি কোনো **চাৰিটা**) : ১×৪=৪

গুৰুতৰ ; লঘুত্ব ; শোৱন ; বননি ; লগৰী ; কৰোঁতা।

১২। কাৰক কাক বোলে? কাৰক কেইপ্ৰকাৰৰ? যি কোনো তিনিবিধ কাৰকৰ নাম লিখি উদাহৰণ দিয়া। ২+১+২=৫

১৩। তলৰ যি কোনো **এটা** বিষয়ৰ এখন ৰচনা লিখা : ১০

(ক) পৰিৱেশ প্ৰদূষণ ঃ সমস্যা আৰু নিয়ন্ত্ৰণ

(খ) বৈজ্ঞানিক মানসিকতা আৰু অন্ধবিশ্বাস

(গ) নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

(ঘ) তোমাৰ প্ৰিয় সাহিত্যিক

(ঙ) মেঘালয়ৰ প্ৰধান পৰ্যটন ক্ষেত্ৰসমূহ

★★★